**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৯৯/২০১৯**

## সদৌ টাই আহোম ছাত্ৰ সন্থা, মটক আৰু সোণোৱাল কছাৰী জনগোষ্ঠীৰ বিভিন্ন সংস্থাৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২১ ডিচেম্বৰ ঃ** টাই আহোম উন্নয়ন পৰিষদক শক্তিশালী কৰণৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি এই পৰিষদলৈ পৰ্যাপ্ত পুঁজি প্ৰদান কৰিব। তদুপৰি টাই আহোম জনবসতিপূৰ্ণ এলেকাত ৰাজ্য চৰকাৰে এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ উপৰি শৈক্ষিক প্ৰতিষ্ঠান সমূহত এই সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভা কক্ষত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হোৱা এক বৈঠকত মুখ্যমন্ত্ৰীয়ে এই কথা সদৰি কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই সম্প্ৰদায়ৰ চহকী ঐতিহ্য সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণ ৰূপে দায়বদ্ধ আৰু এই সম্প্ৰদায়ৰ সৰ্বাংগীন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে সৰ্বতোপ্ৰকাৰৰ পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক সুৰক্ষা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিশ্চিতি প্ৰদান কৰিছে। এই উদ্দেশ্যৰে গঠন কৰা উচ্চ পৰ্যায়ৰ সমিতিখনে ২০২০ চনৰ ১৫ জানুৱাৰীৰ ভিতৰত ইয়াৰ প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সদৌ টাই আহোম ছাত্ৰ সন্থাক এই সম্প্ৰদায়ৰ সৰ্বাংগীন আৰ্থ-সামাজিক উন্নয়নৰ দিশ সামৰি এক ভৱিষ্য পৰিকল্পনা প্ৰকল্পৰ সৈতে দাখিলৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্যখনত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ বজাই ৰখাৰ দিশটো সদৌ টাই আহোম ছাত্ৰ সন্থাক অগ্ৰণী পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়।

আনহাতে মটক জনগোষ্ঠীৰ বিভিন্ন সংস্থাৰ প্ৰতিনিধি বৰ্গৰ সৈতেও মুখ্যমন্ত্ৰী সোণোৱালৰ আন এখন বৈঠক আজি অনুষ্ঠিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে মটক জনগোষ্ঠীৰ জনসাধাৰণ বসতি অঞ্চল সামৰি ৰাজ্য চৰকাৰে এখন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰিব। তদুপৰি এই জনগোষ্ঠীৰ ঐতিহ্য সংৰক্ষণৰ বাবে পৰ্যাপ্ত পুঁজি চৰকাৰে প্ৰদান কৰিব। এই জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চলৰ নতুন আন্তঃগাঁথনিগত প্ৰকল্প ৰূপায়ণ কৰাৰ উপৰি স্বনিয়োজনৰ সা-সুবিধা সৃষ্টি তথা যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ দিশটো উপযুক্ত পদক্ষেপ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চিকিৎসা মহাবিদ্যালয় সমূহত সংৰক্ষিত আসনৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ লোৱা হ'ব বুলি কোৱাৰ লগতে পলিটেকনিক নাৰ্চিং তথা অন্যান্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সমূহত আসন সংৰক্ষণৰ দিশটোও ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি কয়।

দুয়োটা জনগোষ্ঠীৰ প্ৰতিনিধি দলে তেওঁলোকলৈ জনজাতিৰ মৰ্যাদা প্ৰদানৰ দিশত দ্ৰুত পদক্ষেপ লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধি দলকেইটাক জনাই যে ৰাজ্য চৰকাৰে দুয়োটা জনগোষ্ঠীৰ

প্ৰতিনিধি আৰু জনজাতি সংস্থা সমূহৰ সমন্বয় কমিটীৰ সৈতে মন্ত্ৰীগোটৰ প্ৰতিবেদন চূড়ান্ত কৰণৰ দিশত শীঘ্ৰে ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰিব যাতে এই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব পৰা যায়।

সদৌ টাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীক এখন স্মাৰক পত্ৰও প্ৰদান কৰে। এই স্মাৰক পত্ৰত উজনি অসমৰ জিলা সমূহ আৰু নগাঁও তথা বিশ্বনাথ জিলাক সামৰি এখন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ পদক্ষেপ ল'বলৈও দাবী জনায়।

মটক জনগোষ্ঠীৰ প্ৰতিনিধি দলটোত মটক সন্মিলন, মটক যুৱ পৰিষদ, মটক যুৱ ছাত্ৰ পৰিষদ, মটক মহিলা পৰিষদ আৰু মটক ছাত্ৰ সন্থাৰ প্ৰতিনিধি আছিল। এই প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীক এখন স্মাৰক পত্ৰ প্ৰদান কৰি এই জনগোষ্ঠীটোৰ ঐতিহ্য সংৰক্ষণৰ বাবে দাবী জনায়। তদুপৰি উন্নয়নৰ বাবে পৰ্যাপ্ত সা-সুবিধাৰ সৃষ্টি, এই জনগোষ্ঠীটোৰ বিভিন্ন সমল গৱেষণাৰ বাবে এটা গৱেষণা কেন্দ্ৰ স্থাপন, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই জনগোষ্ঠীটোৰ সংস্কৃতি প্ৰতিফলিত কৰা ভাস্কৰ্য স্থাপন, তিনিচুকীয়া, ডিব্ৰুগড়, লখিমপুৰ জিলাত স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ প্ৰতিমূৰ্তি স্থাপনৰ পদক্ষেপ লোৱাৰ বাবেও স্মাৰক পত্ৰৰ জৰিয়তে দাবী জনায়।

বৈঠকত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, বিধায়ক সকল ক্ৰমে বলিন চেতিয়া, ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, যোগেন মোহন, চক্ৰধৰ গগৈ, বিমল বৰা, নন্দিতা সন্দিকৈ, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৰ লগতে শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

আনহাতে সোণোৱাল কছাৰী জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ সৈতেও মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আন এখন বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভা কক্ষত অনুষ্ঠিত হোৱা এই বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটীৰ ওচৰত এই জনগোষ্ঠীৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী থাকিব পৰাকৈ এটা হোষ্টেল নিৰ্মাণ কৰা হ'ব। তদুপৰি এই জনগোষ্ঠীৰ ঐতিহ্য বহন কৰা স্থান সমূহ সংৰক্ষণ, সোণোৱাল কছাৰী সাহিত্য সভালৈ বিত্তীয় সাহায্য প্ৰদান, প্ৰাক্তন মুখ্যমন্ত্ৰী যোগেন্দ্ৰ নাথ হাজৰিকাৰ নামত এক আন্তঃগাঁথনিগত প্ৰকল্প নিৰ্মাণ, এই জনগোষ্ঠীৰ ভূমিহীন লোকলৈ মাটিৰ পট্টা প্ৰদান ইত্যাদিৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মই কয় যে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ আওতাৰ বাহিৰত থকা এই জনগোষ্ঠীৰ লোক বসবাস কৰা গাঁও সমূহ ইতিমধ্যে চিনাক্তকৰণ কৰা হৈছে যাতে এই স্বায়ত্ত শাসিত পৰিষদৰ আওতাত এই গাঁও সমূহ সামৰি ল'ব পৰা যায়।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

এই জনগোষ্ঠীৰ প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচিৰ অধীনত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰক পদক্ষেপ ল'বলৈ দাবী জনায়।

বৈঠকত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈ, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, মুখ্যমন্ত্ৰীৰ সচিব ৰঞ্জন চক্ৰৱৰ্তীকে ধৰি অন্যান্য শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ /পুঃডেঃ /**
**২১/১২/২০১৯**